**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-06-2026 **Time :** 1:40 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ওড়িশাৰ ময়ুৰভঞ্জ জিলাৰ পাহাৰপুৰত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৬৮ সংখ্যক জন্মদিন উদযাপন কৰিব।

২। পশ্চিমবংগৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু গৃহমন্ত্ৰীয়ে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস কাইলৈ আন্তৰ্জাতিকভাৱে উদযাপন কৰা হ'ব।

৪। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এগৰাকী শক্তিশালী আৰু সক্ৰিয় নেতা বুলি অভিহিত কৰিছে।

*আৰু*

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আফগানিস্তানে টছত জিকি ভাৰতক বলিঙৰ বাবে আহ্বান জনাইছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ওড়িশাৰ ময়ুৰভঞ্জ জিলাৰ পাহাৰপুৰত উপস্থিত হয়। ওড়িশাৰ ৰাজ্যপাল ড° হৰিবাবু কম্ভমপতি আৰু মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে প্ৰধানমন্ত্ৰীগৰাকীক আদৰণি জনায়। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তেওঁৰ ৬৮ সংখ্যক জন্মদিন প্ৰধানমন্ত্ৰীগৰাকীৰ উপস্থিতিত উদযাপন কৰাৰ উদ্দেশ্যে পাহাৰপুৰত উপস্থিত হয়। দুয়োগৰাকী নেতাই পৱিত্ৰ চাংথালী জহেৰা আৰু হ' জহেৰা গ্ৰভছত উপস্থিত হৈ পূজা-অৰ্চনা আগবঢ়োৱাৰ কথা। তদুপৰি তেওঁলোকে দক্ষতা বিকাশ আৰু শিক্ষাৰ জৰিয়তে জনজাতীয় সম্প্ৰদায়সমূহ সবল কৰি তোলাৰ উদ্দেশ্যে চৰকাৰৰ পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰাৰ বাবে পাহাৰপুৰ বিদ্যালয় আৰু দক্ষতা বিকাশ কেন্দ্ৰও পৰিদৰ্শন কৰিব। বিয়লিৰ ভাগলৈ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীগৰাকীয়ে ওড়িশা চৰকাৰৰ দুবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ৰায়ৰংপুৰত আয়োজিত বৃহৎ জনসভাত অংশগ্ৰহণ কৰিব। এই সভাত শক্তি, আন্তঃগাঁথনি স্বাস্থ্য, শিক্ষা আৰু জলসিঞ্চনকে ধৰি বিভিন্ন খণ্ডত প্ৰায় ৪৭ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্প মুকলি হোৱাৰ লগতে কিছুসংখ্যক প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰা হ'ব। দুয়োগৰাকী নেতা সভাত সমবেত লোকসকলক উদ্দেশ্যি ভাষণ দিব।

০০০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ জন্মদিন উপলক্ষে তেওঁলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে তেওঁৰ কাৰ্যকালত শ্ৰীমতী মুৰ্মুৱে মহিলাৰ মৰ্যাদা, জনকল্যাণ আৰু দেশসেৱাৰ ক্ষেত্ৰত সফলতাৰ বহু নজিৰ স্থাপন কৰিছে। তেওঁ লগতে কয়, যে সংগ্ৰাম, নিষ্ঠা আৰু দেশপ্ৰেমেৰে ভৰা ৰাষ্ট্ৰপতিগৰাকীৰ জীৱনে মহিলাৰ লগতে যুৱচাম তথা প্ৰতিগৰাকী নাগৰিককে উদ্বুদ্ধ কৰিছে। শ্ৰী শ্বাহে ৰাষ্ট্ৰপতিগৰাকীৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পশ্চিমবংগৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত তেওঁ এই দিনটোক ৰাজ্যখনৰ ইতিহাসৰ এটা অন্যতম গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি কয়, যে ইয়াৰ জৰিয়তে পশ্চিমবংগক ভাৰতৰ অভিন্ন অংগ হিচাপে পৰিগণিত কৰি ৰখাৰ বাবে ৰাজ্যখনৰ অভিলাষ আৰু সংকল্প প্ৰতিফলিত হৈছে। দেশৰ প্ৰগতি আৰু পৰিচিতি গঢ় দি তোলাত পশ্চিমবংগৰ ভূমিকাৰ ওপৰত আলোকপাত কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যখনৰ সামাজিক-সংস্কাৰ, আধ্যাত্মিকতা, বাণিজ্য, শিক্ষা, বিজ্ঞান, চলচ্চিত্ৰ, সংগীত, কলা তথা সাহিত্যলৈ বিশিষ্ট অৱদানক স্বীকাৰ কৰে। তেওঁ কয়, যে চলিত বৰ্ষত ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ১২৫ বছৰীয়া জয়ন্তী উদযাপিত হৈছে। ড° মুখাৰ্জীৰ অতুলনীয় অৱদান দেশে চিৰকাল সুঁৱৰিব বুলিও তেওঁ উল্লেখ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনেও আজি পশ্চিমবংগ দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ১৯৪৭ চনৰ আজিৰ দিনটোত লোৱা এটা ঐতিহাসিক সিদ্ধান্তই দেশৰ অভিন্ন অংগ হিচাপে পশ্চিমবংগ সৃষ্টি কৰিছিল। দেশৰ সভ্যতা আৰু জাতীয় জীৱনত পশ্চিমবংগৰ এটা বিশেষ স্থান আছে বুলিও তেওঁ উল্লেখ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে স্বাধীনতা সংগ্ৰাম, শিক্ষা, বিজ্ঞান, সাহিত্য, সংগীত, চলচ্চিত্ৰ তথা জনজীৱনত ৰাজ্যখনৰ বৰঙণিয়ে দেশৰ দৃষ্টিভংগী গঢ়ি তোলাত অৰিহণা যোগাইছে।

গৃহমন্ত্ৰী অমিত শ্বাহে পশ্চিমবংগৰ জনসাধাৰণলৈ শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে ৰাষ্ট্ৰ নিৰ্মাণত ৰাজ্যখনে ঐতিহাসিক ভূমিকা গ্ৰহণ কৰা বুলি উল্লেখ কৰি কয়, যে ভক্তি আন্দোলনৰ পৰা আৰম্ভ কৰি মুক্তি যুদ্ধলৈ তথা বংগীয় নৱজাগৰণলৈ পশ্চিমবংগৰ ঐতিহ্য বিয়পি আছে। স্বামী বিবেকানন্দ, বংকিমচন্দ্ৰ চট্টোপধ্যায়, ৰবীন্দ্ৰনাথ ঠাকুৰ, সুভাষ চন্দ্ৰ বসু তথা শ্যামাপ্ৰসাদ মুখাৰ্জীৰ দৰে ব্যক্তিয়ে এই ভূমিত জন্মগ্ৰহণ কৰা বুলিও শ্ৰী শ্বাহে সোঁৱৰে।

০০০০০০০০০

এটা বিশেষ মীম সন্দৰ্ভত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বেইজিঙে চীনত থকা ভাৰতীয় ৰাষ্ট্ৰদূতক তলব কৰা বুলি সামাজিক মাধ্যমত প্ৰচাৰিত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সত্য নিৰূপণকাৰী গোটে নস্যাৎ কৰিছে। গোটে সামাজিক মাধ্যমত প্ৰচাৰিত ভুৱা আৰু ভিত্তিহীন বাৰ্তাসমূহ সন্দৰ্ভত সজাগ হ'বলৈ জনসাধাৰণলৈ আহ্বান জনায়।

০০০০০০০০০

চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস কাইলৈ আন্তৰ্জাতিকভাৱে উদযাপন কৰা হ'ব। এইবেলি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় দিৱসৰ মূল বিষয়বস্তু হৈছে – বয়স বৃদ্ধিৰ দিশে স্বাস্থ্যকৰভাৱে আগবঢ়াত যোগৰ ভূমিকা। এই উদযাপনৰ অংশ হিচাপে সাংস্কৃতিক মন্ত্ৰালয়ে দেশৰ ১০০ টা বিশেষ স্থানত আন্তৰ্জাতিক যোগ দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰিব। নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানে যোগৰ বাবে দৌৰ শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰিছে। আনহাতে, কলকাতাৰ ঐতিহাসিক ৰেড ৰোডত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কাইলৈ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচী উদযাপিত হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুও কাইলৈ মধ্যপ্ৰদেশৰ জবলপুৰত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাজ্যিক কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০০০

বাংলাদেশৰ হিন্দু সম্প্ৰদায়ৰ লগতে বিভিন্ন সনাতনী সংগঠনৰ সদস্যসকলে, ভগৱান শ্ৰীৰামচন্দ্ৰৰ এটা মূৰ্তিক অপবিত্ৰ কৰা আৰু সামাজিক মাধ্যমত ধৰ্ম সন্দৰ্ভত বিদ্বেষমূলক মন্তব্য প্ৰচাৰ কৰাৰ বিৰুদ্ধে কালি প্ৰতিবাদ সাব্যস্ত কৰে। ঢাকাৰ শ্বাহবাগত মানৱ শৃংখল, প্ৰতিবাদী সমদল আৰু জোঁৰ সমদলৰ জৰিয়তে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সংযুক্ত সনাতনী সমাজৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত কেইবাটাও হিন্দু সংস্থা, সংগঠনৰ লগতে সামাজিক আৰু সাংস্কৃতিক সংস্থা মঠ, মন্দিৰ আদিৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে ৰাষ্ট্ৰীয় সংগ্ৰহালয় এলেকাৰ পৰা ৰাষ্ট্ৰীয় প্ৰেছ ক্লাব চৌহদ লৈ জোঁৰ সমদল কৰি গৈ ন্যায় আৰু সংখ্যালঘুসকলৰ অধিকাৰৰ সুৰক্ষাৰ দাবীত শ্ল’গান দিয়ে।

প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে অনুষ্ঠিত এখন সমাৱেশত ভাষণ দি সংগঠনটোৰ নেতাসকলে মূৰ্তিক অপৱিত্ৰ কৰাৰ ঘটনাটোৰ অভিযোগ সন্দৰ্ভত নিৰপেক্ষ তদন্ত কৰাৰ লগতে ইয়াৰ বাবে জগৰীয়া লোকসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়। ধৰ্মীয় অনুভূতিত আঘাট হনা কাৰ্যই সাম্প্ৰদায়িক সম্প্ৰীতি বিনষ্ট কৰিব বুলি আশংকা প্ৰকাশ কৰি তেওঁলোকে সংখ্যালঘু সম্প্ৰদায়ৰ নিৰাপত্ত নিশ্চিত কৰিবলৈ চৰকাৰক আহ্বান জনায়।

০০০০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এগৰাকী শক্তিশালী আৰু সক্ৰিয় নেতা বুলি অভিহিত কৰি তেওঁক প্ৰশংসা কৰিছে। শ্ৰীট্ৰাম্পে তেওঁক চীনৰ ৰাষ্ট্ৰপতি চি জিনপিঙৰ লগত একেশাৰীতে স্থান দি বিশ্বৰ অন্যতম প্ৰভাৱশালী নেতাসকলৰ মাজৰ এজন বুলি আখ্যা দিয়ে। আমেৰিকাৰ এটা নিউজ প’ৰ্টেলক দিয়া সাক্ষাৎকাৰত, ভাৰতত সঘনাই হৈ থকা নেতৃত্বৰ পৰিৱৰ্তনৰ পাছত শ্ৰীমোদীয়ে দেশখনক স্থিৰতা প্ৰদান কৰিছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীট্ৰাম্পে কয়, যে সম্প্ৰতি ১২ বছৰৰো অধিক কাল ধৰি তেওঁ শাসনত অধিষ্ঠিত হৈ আছে।

ভাৰত আৰু আমেৰিকাৰ মাজৰ সম্পৰ্কৰ প্ৰসংগত তেওঁ কয়, যে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য বৰ্তমান অধিক উন্নত হৈ উঠিছে আৰু দুয়োখন দেশে একেলগে বাণিজ্য ক্ষেত্ৰত উল্লেখনীয়ভাৱে কাম কৰিছে। শ্ৰীমোদীক তেওঁ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰদ্ধা আহৰণ কৰা এগৰাকী শক্তিশালী নেতা বুলিও অভিহিত কৰে।

০০০০০০০০০

কেৰালামত দক্ষিণ ছুডানৰ পৰা উভতি অহাৰ পাছত কোট্টায়ামৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত নিৰীক্ষণত থকা ৫৪ বছৰীয়া মহিলাগৰাকীৰ গাত ইবলা সংক্ৰমণৰ কোনো লক্ষণ পোৱা নগ’ল। পুনেৰ নেচনেল ইনষ্টিটিউট অব্‌ ভাইৰ’ল’জীৰ পৰা লাভ কৰা চূড়ান্ত প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে। ইবলা সংক্ৰমণৰ সম্ভাৱনা নাই বুলি সদৰি হোৱাৰ পাছত মহিলাগৰাকীক চিকিৎসালয়ৰ পৰা স্থানান্তৰ কৰি গৃহত আছুতীয়াকৈ ৰখা হৈছে।

০০০০০০০০০

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু আফগানিস্তানৰ মাজৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আফগানিস্তানে টছত জিকি ভাৰতক বলিঙৰ বাবে আহ্বান জনাইছে। বাতৰি যুগুটোৱা পৰলৈকে আফগানিস্তানে ৩ অভাৰত ১ টা উইকেট হেৰুৱাই ১১ ৰান কৰি খেলি আছে।

ভাৰতে ইতিমধ্যে শৃংখলাটোত ২-০ৰ অগ্ৰগতি লাভ কৰিছে। আঁঠুৰ আঘাতৰ বাবে শৃংখলাৰ পৰা আঁতৰি থকা ফাষ্ট বলাৰ হৰ্ষিত ৰাণাই ভাৰতীয় দলত যোগদান কৰিছে। শুভমন গিল নেতৃত্বাধীন ভাৰতীয় দলটোৱে ধৰমশালাত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত জয়লাভ কৰাৰ লগতে লক্ষ্ণৌত অনুষ্ঠিত দ্বিতীয়খন খেলত ১৭০ ৰানত জয়লাভ কৰে।

ooooooooo

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱাৰ এখন খেলত  পেৰাগুৱে তুৰ্কীয়েৰ বিৰুদ্ধে ১-০ গ'লত জয়লাভ কৰে। ভাৰতীয় সময় অনুসৰি আজি পুৱা ৬ বজাত ফিলাডেলফিয়াত অনুষ্ঠিত আন এখন খেলত ব্ৰাজিলে হেইটীক   ৩-০ গ'লত পৰাস্ত কৰে।

ইয়াৰ পূৰ্বে আজি পুৱতি নিশা চাৰে ৩ বজাত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত মৰক্কোৱে স্কটলেণ্ডক ১-০ গ'লত পৰাস্ত কৰে।  ইপিনে কালি ছিয়াতল ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-ডিৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰই অষ্ট্ৰেলিয়াক ২-০ গ'লত পৰাস্ত কৰি নকআউট পৰ্যায়ত প্ৰৱেশ কৰে। আমেৰিকাই এতিয়ালৈকে খেলা দুখন খেলৰ দুয়োখনতে জয়লাভ কৰি মেক্সিকোৰ পাছতে নকআউট পৰ্যায়ত প্ৰৱেশ কৰা দ্বিতীয়টো দল হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে আমেৰিকাই প্ৰথমবাৰৰ বাবে এখন খেল বাকী থকা অৱস্থাত গ্ৰুপ পৰ্যায়ৰ পৰা এই যোগ্যতা অৰ্জন কৰিছে।

ooooooooo

ভাৰতীয় তথ্য সেৱা আই আই এছৰ প্ৰাক্তন জ্যেষ্ঠ বিষয়া দীপাংকৰ মুখোপাধ্যায়ৰ যোৱা নিশা কলকাতাত দেহাৱসান ঘটে। ৭৭ বছৰ বয়সীয়া মুখোপাধ্যায় কিছুদিন ধৰি অসুস্থ হৈ আছিল। উল্লেখযোগ্য যে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অন্তৰ্গত বিভিন্ন সংস্থাৰ লগতে আকাশবাণীৰ সংবাদসেৱা বিভাগতো তেওঁ সেৱা আগবঢ়াই থৈ গৈছে। কৰ্মজীৱনত তেওঁ ছিংগাপুৰত আকাশবাণীৰ বিশেষ সংবাদদাতা হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ইহসংসাৰত পত্নী আৰু এগৰাকী কন্যাক এৰি থৈ যায়।

ooooooooo

সমাপ্ত